**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ৫৫**
**উত্তৰ দিয়াৰ তাৰিখ-০৭-০৭-২০২৬**

**বিষয়ঃ অংগনৱাড়ী কেন্দ্ৰ**

**শ্ৰীহিমাংশু শেখৰ বৈশ্য, বিধায়ক**

**প্ৰশ্নঃ-**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ৰাজ্যখনত জনসংখ্যা অনুসৰি পৰৱৰ্তী সময়ত অংগনৱাড়ী কেন্দ্ৰ বঢ়োৱাৰ চিন্তা কৰা হৈছে নেকি? তদুপৰি অংগনৱাড়ী ব্যৱস্থাটোৰ আৰু অধিক বিকাশৰ বাবে কিধৰণে পদক্ষেপ গ্ৰহণ কৰা হৈছে?

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয় আৰু নতুন অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বৰ্তমান কোনো নিৰ্দেশনা নাই।

কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি অংগনবাড়ী কেন্দ্ৰ সমূহ পৰিচালনা কৰা হয়। শিশুসকলক বিভিন্ন ধৰণৰ খেলা ধূলাৰ সামগ্ৰীৰ জৰিয়তে প্ৰাক প্ৰাথমিক শিক্ষা প্ৰদান কৰা হয় আৰু লগতে পুষ্টিকৰ খাদ্যৰ যোগান ধৰা হয়।

ইয়াৰ উপৰিও অংগনবাড়ী ব্যৱস্থাটোৰ বিকাশৰ বাবে শিশুৰ স্বাস্থ্য পৰিক্ষা, প্ৰতিষেধক প্ৰদান, পৰিপুষ্টি আৰু স্বাস্থ্য শিক্ষাৰ বাবে মূখ্য সেৱিকা আৰু অংগনবাড়ী কৰ্মীসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে।

চৰকাৰে, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT)-ৰ সহযোগত ন্যূনতম ১০+২ শিক্ষাগত অৰ্হতা থকা অংগনৱাড়ী কৰ্মীসকলৰ প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা (ECCE) ওপৰত ছয় মহীয়া প্ৰমাণপত্ৰ পাঠ্যক্ৰম আৰম্ভ কৰিছে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

***************